# REGIONAL NEWS UNIT
AKASHVANI :: GUWAHATI

0000000000

**Date : 05-03-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

**::::::::::::::::::::::::::::::::**

অসম চুক্তি অনুসৰি ৰাজ্যখনত যোৱা ৩১ জানুৱাৰী পৰ্যন্ত ১ লাখ ৬৫ হাজাৰ ৯৯২ জন লোকক বিদেশী বুলি চিনাক্ত কৰা হৈছে আৰু ইয়াৰে ৩০ হাজাৰ ১১৫জনক বহিস্কাৰ কৰা হৈছে। অসম বিধানসভাত আজি অসম চুক্তি ৰূপায়ণ মন্ত্ৰী অতুল বৰাই বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতাৰ এটা প্ৰশ্নৰ উত্তৰত এই বিষয়ে প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে বিধায়কগৰাকীৰ আন এটা প্ৰশ্নৰ উত্তৰত কয় যে সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ পৰা লাভ কৰা তথ্য অনুসৰি ভাৰত-বাংলাদেশ সীমান্তৰ ২৬৭ দশমিক ৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ অঞ্চল ধুবুৰী, দক্ষিণ শালমাৰা মানকাচৰ, শ্ৰীভূমি জিলাৰ সৈতে সংলগ্ন হৈ আছে। এই সীমান্ত অঞ্চলৰ ২২৮ কিলোমিটাৰৰো অধিক এলেকাত কাইটীয়া তাঁৰৰ বেৰ নিৰ্মাণ কৰা হৈছে আৰু বাকী থকা অংশ নদী অঞ্চল হোৱা হেতুকে বেৰ নিৰ্মাণ কৰিব পৰা হোৱা নাই। শ্ৰীভূমি জিলাৰ কুচিয়াৰা নদীৰ পাৰত ভাৰতীয় লোকৰ বসতি থকা চাৰে চাৰি কিলোমিটাৰ অংশত বাংলাদেশৰ সীমান্ত সুৰক্ষা বাহিনীয়ে আপত্তি দৰ্শোৱা বাবে বেৰ নিৰ্মাণ কৰিব পৰা হোৱা নাই বুলি মন্ত্ৰী বৰাই প্ৰকাশ কৰে। অৱশ্যে নদী অঞ্চলসমূহত সীমান্ত সুৰক্ষা বাহিনীয়ে সৰ্বাত্মক সংহত সীমান্ত ব্যৱস্থাপনা আৰু নৌকা পৰ্যবেক্ষণ চকী স্থাপন কৰি জলভাগ নিৰীক্ষণ কৰি আছে বুলি মন্ত্ৰীগৰাকীয়ে সদনক জানিবলৈ দিয়ে।

০০০০

বাক্সা জিলাৰ নিমুৱাত আজি ৰাজ্যসভাৰ সাংসদ ৰণগৌড়া নাৰ্জাৰীয়ে ২৪ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া পলিটেকনিক আৰু ভকেশ্বনেল ট্ৰেইনিং ইনষ্টিটিউতৰ নিৰ্মাণকাৰ্যৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত সাংসদগৰাকীৰ লগতে বিটিআৰৰ অধ্যক্ষ কাতিৰাম বড়ো, কাৰ্যবাহী সদস্য গৌতম দাসকে ধৰি কেইবাগৰাকীও দলীয় নেতাই অংশগ্ৰহণ কৰে।

০০০০

তেজপুৰ বিশ্ববিদ্যালয়ৰ ২০২৫-২৬ শিক্ষা বৰ্ষৰ বিভিন্ন পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে অনলাইন পঞ্জীয়ন প্ৰক্ৰিয়া আৰম্ভ হৈছে। বিশ্ববিদ্যালয়খনৰ অধীনৰ স্নাতক, স্নাতকোত্তৰ, পি এইচ ডি, ডিপ্লোমা আৰু অন্যান্য পাঠ্যক্ৰমৰ বাবে আগ্ৰহী ছাত্ৰ-ছাত্ৰীসকলে অনলাইনযোগে আবেদন কৰিব পাৰিব। আবেদন পত্ৰ জমা দিয়া অন্তিম তাৰিখ ৩০ এপ্ৰিল ধাৰ্য কৰা হৈছে আৰু ৬ৰ পৰা ৮ জুনত তেজপুৰ বিশ্ববিদ্যালয়ৰ প্ৰৱেশ পৰীক্ষা টি ইউ ই ই অনুষ্ঠিত হ'ব।

০০০০

মণিপুৰ আৰক্ষীয়ে ৰাজ্যখনৰ বিভিন্ন স্থানৰ পৰা আজি নিষিদ্ধ সংগঠনৰ সৈতে জড়িত কেইবাজনো উগ্ৰপন্থীক গ্ৰেপ্তাৰ কৰে। চুৰাচান্দপুৰ, পূব ইম্ফল আৰু বিষ্ণুপুৰ জিলাৰ গ্ৰেপ্তাৰ কৰা এই উগ্ৰপন্থীকেইজন ইউনাইটেড কুকি ৰাষ্ট্ৰীয় সেনাৰ সদস্য। সদস্যকেইজনে স্থানীয় ব্যৱসায়ীসকলৰ পৰা ধন দাবী, নিচাযুক্ত সামগ্ৰীৰ সৰবৰাহ আৰু অস্ত্ৰ সৰবৰাহৰ সৈতেও জড়িত আছিল বুলি আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰিছে। গ্ৰেপ্তাৰ কৰা উগ্ৰপন্থীকেইজনৰ পৰা পিষ্টল, খালী মেগজিন, হেণ্ড গ্ৰেনেড, টিউব লঞ্চিং ডিভাইচ, গোলা-বাৰুদৰ বাকচ, নিচাযুক্ত সামগ্ৰী, মোবাইল ফোন, দুচকীয়া আৰু চাৰিচকীয়া বাহনকে ধৰি বহু আপত্তিজনক সামগ্ৰী আৰক্ষীয়ে জব্দ কৰিছে। গ্ৰেপ্তাৰ হোৱা উগ্ৰপন্থীকেইজনৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হৈছে আৰু তদন্ত চলি আছে।

০০০০

মণিপুৰ আৰক্ষীয়ে ৰাজ্যখনৰ বিভিন্ন স্থানৰ পৰা আজি নিষিদ্ধ সংগঠনৰ সৈতে জড়িত কেইবাজনো উগ্ৰপন্থীক গ্ৰেপ্তাৰ কৰে। চুৰাচান্দপুৰ, পূব ইম্ফল আৰু বিষ্ণুপুৰ জিলাৰ গ্ৰেপ্তাৰ কৰা এই উগ্ৰপন্থীকেইজন ইউনাইটেড কুকি ৰাষ্ট্ৰীয় সেনাৰ সদস্য। সদস্যকেইজনে স্থানীয় ব্যৱসায়ীসকলৰ পৰা ধন দাবী, নিচাযুক্ত সামগ্ৰীৰ সৰবৰাহ আৰু অস্ত্ৰ সৰবৰাহৰ সৈতেও জড়িত আছিল বুলি আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰিছে। গ্ৰেপ্তাৰ কৰা উগ্ৰপন্থীকেইজনৰ পৰা পিষ্টল, খালী মেগজিন, হেণ্ড গ্ৰেনেড, টিউব লঞ্চিং ডিভাইচ, গোলা-বাৰুদৰ বাকচ, নিচাযুক্ত সামগ্ৰী, মোবাইল ফোন, দুচকীয়া আৰু চাৰিচকীয়া বাহনকে ধৰি বহু আপত্তিজনক সামগ্ৰী আৰক্ষীয়ে জব্দ কৰিছে। গ্ৰেপ্তাৰ হোৱা উগ্ৰপন্থীকেইজনৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হৈছে আৰু তদন্ত চলি আছে।

০০০০

কোকৰাঝাৰ আৰু বিটিআৰৰ বিভিন্ন অঞ্চলৰ ৬১ গৰাকী জ্যেষ্ঠ নাগৰিকে বিটিআৰ প্ৰধান প্ৰমোদ বড়োৰ উদ্যোগত মধ্যপ্ৰদেশৰ ইন্দোৰৰ বিভিন্ন তীৰ্থস্থান ভ্ৰমণৰ বাবে ৰাওনা হৈছে। কোকৰাঝাৰৰ সাংসদ জয়ন্ত বসুমতাৰী আৰু ইউ.পি.পি.এল দলৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক ৰাজু কুমাৰ নাৰ্জাৰীয়ে তীৰ্থ যাত্ৰীসকলক আজি কোকৰাঝাৰ ৰে'ল ষ্টেচনত সম্বৰ্ধনা জনায়। তীৰ্থ যাত্ৰীসকল অহা ১৫ মাৰ্চত উভতি আহিব বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০

গোলাঘাট জিলা আৰক্ষী, কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী আৰু কাৰ্বি আংলং আৰক্ষীয়ে চলোৱা এটা যৌথ অভিযানত আজি সন্ধিয়া এখন বাহনত মণিপুৰৰ পৰা তেজপুৰলৈ সৰবৰাহ কৰা প্ৰায় ৪৬১ গ্ৰাম হেৰইন জব্দ কৰে। জব্দকৃত হেৰইনখিনিৰ মূল্য প্ৰায় ৩ কোটি টকা হ'ব বুলি আৰক্ষীয়ে প্ৰকাশ কৰে। সৰবৰাহৰ লগত জড়িত ইক্ৰামুল হক আৰু ইমদাজুল হকক আৰক্ষীয়ে আটক কৰে।

০০০০

ৰাজ্যৰ মিচিং জনগোষ্ঠী বসতিপ্ৰধান অঞ্চলসমূহত আজি জনগোষ্ঠীটোৰ অন্যতম কৃষিভিত্তিক উৎসৱ পঃৰাগ বা নৰা-ছিগা বিহু উদ্‌যাপন কৰা হৈছে। ধেমাজি জিলাৰ জোনাইৰ অৰুণাচল সীমান্তৰ পুৰণা জেলমগাঁৱত আজিৰেপৰা তিনিদিনীয়াকৈ এই উৎসৱ অনুষ্ঠিত কৰা হৈছে। উল্লেখযোগ্য যে জনগোষ্ঠীটোৰ লোকসকলে পৰম্পৰা অনুসৰি সৃষ্টিকৰ্তা, মাতৃ, পৃথিৱী তথা পূৰ্বপুৰুষক তুষ্ট কৰাৰ বাবে এই উৎসৱ পালন কৰি আহিছে। ডেকা-গাভৰুসকলৰ নেতৃত্বত আয়োজন কৰা এই উৎসৱলৈ দূৰণিলৈ বিয়া হৈ যোৱা জী-জোঁৱাইসকলকো নিমন্ত্ৰণ কৰি আদৰণি জনোৱা হয়। সকলোকে সুস্বাদু খাদ্যৰে আপ্যায়ন কৰি ডেকা-গাভৰুসকলে নৃত্য-গীত পৰিৱেশন কৰে। গাঁওখনৰ পৰা অপায়-অমংগল দূৰ কৰাৰ বাবে পৰম্পৰাগত বিশ্বাসেৰে এই পঃৰাগ উৎসৱ বা নৰা-ছিগা বিহু পালন কৰা হয়।

০০০০

পাকিস্তানৰ লাহোৰত অনুষ্ঠিত আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত নিউজিলেণ্ডে দক্ষিণ আফ্ৰিকাক জয়ৰ বাবে ৩৬৩ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। খেলখনত নিউজিলেণ্ডে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ৫০ অভাৰত ছটা উইকেট হেৰুৱাই ৩৬২ ৰাণ সংগ্ৰহ কৰে। নিউজিলেণ্ডৰ হৈ ৰছিন ৰবীন্দ্ৰই সৰ্বাধিক ১০৮ ৰাণ কৰে। কেন উইলিয়ামছনে ১০২ ৰাণৰ বৰঙণি আগবঢ়ায়। দক্ষিণ আফ্ৰিকাৰ হৈ লুংগী এনগিডিয়ে তিনিটা আৰু কাগিছো ৰাবাডাই ২ টা উইকেট দখল কৰে।

প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাই আমালৈ বাতৰি অহাৰ পৰলৈকে ৩৭ অভাৰত ৬ টা উইকেট হেৰুৱাই ২০২ ৰাণ সংগ্ৰহ কৰি খেলি আছে। আজিৰ খেলখনৰ বিজয়ী দলটোৱে দেওবাৰে ডুবাইত হ'বলগীয়া ফাইনেলত ভাৰতৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০